**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীলৈ ৰাছিয়া আৰু অষ্ট্ৰিয়ালৈ ৰাওনা হৈছে।

২। হেমন্ত চোৰেন চৰকাৰে আজি ঝাৰখণ্ড বিধানসভাত আস্থাৰ ভোটত জয়লাভ কৰে।

৩। উচ্চতম ন্যায়ালয়ে আজি নীট ইউজি সন্দৰ্ভত কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব।

৪। জম্মু কাশ্মীৰত স্বাস্থ্যসেৱা সঞ্চালকালয়ে শ্ৰীঅমৰনাথ জী যাত্ৰা ২০২৪ৰ বাবে বিশেষ এম্বুলেঞ্চ সেৱা মুকলি কৰিছে।

**আৰু**

৫। হাৰাৰেত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ দ্বিতীয়খন খেলত কালি ভাৰতে জিম্বাব'ৱেক ১০০ ৰাণত পৰাস্ত কৰি পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাত ১-১ৰ সমতা স্থাপন কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীলৈ ৰাছিয়া আৰু অষ্ট্ৰিয়ালৈ ৰাওনা হৈছে। এই ভ্ৰমণৰ পূৰ্বে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, এই ভ্ৰমণ ৰাছিয়া আৰু অষ্ট্ৰিয়াৰ সৈতে সম্পৰ্ক সদৃঢ় কৰি তোলাৰ এটা সুন্দৰ সুযোগ হ'ব। তেওঁ লগতে কয় যে, দেশ দুখনত বসবাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ সৈতে মত বিনিময় কৰিবলৈও তেওঁ আগ্ৰহী। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে মস্কোত ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। ভাৰত ৰাছিয়াৰ সম্পৰ্কৰ বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে দ্বিপাক্ষিক সহযোগিতাৰ সকলো দিশ পুনৰ নিৰীক্ষণ কৰাৰ লগতে বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত দৃষ্টিভংগী বিনিময় কৰিবলৈ আগ্ৰহী। তেওঁ লগতে কয় যে, ভাৰত আৰু ৰাছিয়াৰ কৌশলগত অংশীদাৰিত্ব যোৱা ১০ বছৰত বহু খণ্ডত আগবাঢ়িছে। এই খণ্ডসমূহৰ ভিতৰত প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ, শক্তি সহযোগিতা, শিক্ষা, সংস্কৃতি, পৰ্যটন আৰু পৰস্পৰৰ মাজৰ বিনিময় আদি অন্তৰ্ভুক্ত। শ্ৰীমোদীয়ে কয় যে, ভাৰতে এই ক্ষেত্ৰত শান্তি আৰু সুস্থিৰতাৰ বাবে কাম কৰিবলৈ বিচাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে তেওঁলোকৰ আলোচনাৰ সময়ত ব্ৰিকছ, চাংহাই সহযোগিতা সংস্থা, জি-২০, পূৰ এছিয়া সন্মিলন আৰু ৰাষ্ট্ৰসংঘৰ দৰে গ্ৰুপিং পৰ্যায়ত দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত আলোকপাত কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ক্ৰেমলিনত পৰিচয় বিহীন সৈনিকসকলৰ সমাধিত মাল্যাৰ্পন কৰিব আৰু মস্কোত ৰোছাটন পেভিলিয়নো দৰ্শন কৰিব। ৰাছিয়াত থকা ভাৰতীয় ৰাষ্ট্ৰদূত বিনয় কুমাৰে সংবাদমাধ্যমৰ আগত কয় যে, তিনি বছৰৰ বিৰতিৰ পাছত হোৱা এই সন্মিলন দুয়োখন দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

অষ্ট্ৰিয়া ভ্ৰমণৰ বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰত-অষ্ট্ৰিয়াৰ দৃঢ় তথা বিশ্বাসযোগ্য অংশীদাৰ আৰু দুয়োখন দেশেই বহুত্ববাদৰ আদৰ্শ পালন কৰে। শ্ৰীমোদীয়ে কয় যে, অষ্ট্ৰিয়া ভ্ৰমণৰ কালছোৱাত তেওঁ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডেৰ বেলেন আৰু চেঞ্চেলৰ কাৰ্ল নেহাম্মাৰক সাক্ষাৎ

কৰিব। উল্লেখযোগ্য যে যোৱা ৪০ বছৰতকৈও অধিক সময়ৰ ভিতৰত এয়া হৈছে কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথমটো অষ্ট্ৰিয়া ভ্ৰমণ। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ভাৰত-অষ্ট্ৰিয়াৰ অংশীদাৰিত্বক উদ্ভাৱন, প্ৰযুক্তি আৰু বহনক্ষম উন্নয়নৰ লগতে অন্যান্য ক্ষেত্ৰত অধিক উচ্চতালৈ লৈ যাবলৈ আগ্ৰহী।

০০০০০০০

হেমন্ত চোৰেন চৰকাৰে আজি ঝাৰখণ্ড বিধানসভাত আস্থাৰ ভোটত জয়লাভ কৰে। ঝাৰখণ্ড মুক্তি মৰ্চা নেতৃত্বাধীন মিত্ৰজোঁটৰ ৪৫ গৰাকী বিধায়কে আস্থা প্ৰস্তাৱৰ সপক্ষে ভোটদান কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে বিধানসভাত আস্থাৰ প্ৰস্তাৱ দাখিল কৰিছিল। ইয়াৰ পাছতেই বিৰোধীয়ে বিতৰ্কৰ সৃষ্টি কৰি সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। আস্থাৰ ভোটৰ পাছতেই সদন স্থগিত ৰখা হয়।

৪৮ বছৰীয়া চোৰেনে ৪ জুলাইত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিল। আজি বিয়লি মন্ত্ৰীসভাৰ নতুন মন্ত্ৰীসকলে শপতগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি নীট ইউজি সন্দৰ্ভত কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব। এইসমূহৰ ভিতৰত নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে জনোৱা আবেদনো অন্তৰ্ভুক্ত হৈ আছে। উচ্চতম ন্যায়ালয়ৰ ৱেবচাইটত প্ৰকাশ পোৱা অনুসৰি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় তথা ন্যায়াধীশ জে. বি. পাড়িৱালা আৰু মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰ পীঠে এই সন্দৰ্ভত ২৬ খন আবেদনৰ শুনানি গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, শিক্ষাৰ্থীসকলে দাখিল কৰা এই আবেদনত নীট পৰীক্ষাত অনিয়ম হোৱাৰ অভিযোগৰ প্ৰসংগৰে পৃথক তথা সুকীয়া অনুসন্ধানৰ বাবে দাবী জনোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত ইতিমধ্যে এখন শপতনামা দাখিল কৰিছে। চৰকাৰে নীট ইউ জি ২০২৪ত ব্যাপক হাৰত কোনো অনিয়ম হোৱাৰ প্ৰমাণ নথকাৰ পৰিপ্ৰেক্ষিতত এই পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ কোনো প্ৰয়োজন নাই বুলি প্ৰকাশ কৰিছে।

০০০০০০০

অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ২৮ খন জিলাৰ প্ৰায় ২২ লাখ লোক এতিয়াও বানৰ কবলত আছে। বানত বিগত ২৪ ঘণ্টাত ৮ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত ৰাজ্যখনত এতিয়ালৈকে বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬৬ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ৯৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৪০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। বিগত ২৪ ঘণ্টাত এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু অন্যান্য উদ্ধাৰকাৰী বাহিনীয়ে বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে। প্ৰশাসনে স্থাপন কৰা ২৬৯টা আশ্ৰয় শিবিৰত ৫৩ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। কেন্দ্ৰীয় জল আয়োগে প্ৰকাশ কৰা তথ্য অনুসৰি ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ লগতে আন কেইবাখনো নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। বিগত ২৪ ঘণ্টাত অন্যান্য আন্তঃগাঁথনিৰ লগতে ১৭২টা পথ আৰু ৬ খন দলং ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বানত ১৫ লাখৰো অধিক পশুধনৰ ক্ষতি হৈছে।

০০০০০০০

জম্মু কাশ্মীৰত স্বাস্থ্যসেৱা সঞ্চালকালয়ে শ্ৰীঅমৰনাথ জী যাত্ৰা ২০২৪ৰ বাবে পনী এম্বুলেঞ্চ সেৱা মুকলি কৰিছে। এই এম্বুলেঞ্চৰ দ্বাৰা তীৰ্থযাত্ৰীসকলে যাত্ৰাৰ সময়ছোৱাত সন্মুখীন হোৱা জটিল স্বাস্থ্যজনিত সেৱা আগবঢ়োৱা হ'ব। কাশ্মীৰৰ স্বাস্থ্যসেৱা সঞ্চালক ড০ মুস্তাক আহমদ ৰাথাৰে চিকিৎসা শিক্ষা আৰু স্বাস্থ্য বিভাগৰ সচিব ড০ ছৈয়দ অবিধ ৰাছিদ শ্বাহৰ নিৰ্দেশনাত মুকলি কৰা এই বিশেষ এম্বুলেঞ্চে সেৱা

যাত্ৰীসকলৰ মাজত বহুলভাৱে প্ৰশংসিত হোৱা পৰিলক্ষিত হৈছে। এই পনী এম্বুলেঞ্চখনত বিশেষভাৱে প্ৰশিক্ষিত স্বাস্থ্যকৰ্মীয়ে তীৰ্থযাত্ৰীসকলে সন্মুখীন হোৱা বিভিন্ন স্বাস্থ্যজনিত বিভিন্ন সমস্যাৰ প্ৰতি দ্ৰুত সঁহাৰি জনোৱাৰ ফলত ৰোগ আৰু মৃত্যুৰ হাৰ যথেষ্ট হ্ৰাস হোৱা দেখা গৈছে।

০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **ৰাষ্ট্ৰীয় ডায়েৰীয়া প্ৰতিৰোধী অভিযান ২০২৪** সন্দৰ্ভত নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ Gastroenterology বিভাগৰ অধ্যাপক ডাঃ গোৱিন্দ কে মাখাৰিয়া আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ শিশু স্বাস্থ্য তথা ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যসূচীৰ তত্বাৱধায়ক আৰু উপ-আয়ুক্ত ডাঃ চোভনা গুপ্তাৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **ডায়েৰিয়া প্ৰতিৰোধ, অনাময় তথা বিশুদ্ধ খোৱাপানীকে ধৰি ডায়েৰিয়া** সম্পৰ্কে তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই শুনিবলৈ পাব।

০০০০০০০

ভাৰতীয় সেনা আৰু ৰয়েল থাইলেণ্ড সেনাবাহিনীয়ে যৌথভাৱে থাইলেণ্ডৰ মৈত্ৰী ২০২৪ সামৰিক অনুশীলন চলাই আছে। এই অনুশীলনে ৰাষ্ট্ৰসংঘৰ চনদৰ অধীনত সামৰিক সহযোগিতা বৃদ্ধি আৰু দুয়োখন ৰাষ্ট্ৰৰ কাৰ্যকৰী ক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। জনসম্পৰ্কৰক্ষী বিষয়াৰ এক বিজ্ঞপ্তি অনুসৰি দুয়োটা দলৰ সেনাই বনাঞ্চল আৰু চহৰীয়া পৰিৱেশত সন্ত্ৰাসবাদ বিৰোধী অভিযানত গুৰুত্ব আৰোপ কৰি কঠোৰ অনুশীলন চলাই আছে। বৰ্তমানলৈকে চলোৱা প্ৰশিক্ষণত অস্ত্ৰ প্ৰশিক্ষণ. পৰ্বতাৰোহণ. বনাঞ্চলত জীয়াই থকাৰ কৌশল, যোগাযোগ অনুশীলন, প্ৰাথমিক চিকিৎসা আদি অন্তৰ্ভুক্ত কৰা হৈছে।

ভাৰতীয় সেনা আৰু ৰয়েল থাইলেণ্ড সেনাৰ মাজত কাৰ্যকৰী সহযোগিতা আৰু অধিক বৃদ্ধি কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী ১৫ জুলাই লৈ অব্যাহত থাকিব। এই অনুশীলনে আঞ্চলিক নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহ মোকাবিলা আৰু শান্তি প্ৰতিষ্ঠা কৰাত গুৰুত্ব আৰোপ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

হাৰাৰেত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ দ্বিতীয়খন খেলত কালি ভাৰতে জিম্বাব'ৱেক ১০০ ৰাণত পৰাজিত কৰে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেটৰ বিনিময়ত ২৩৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অভিযেক শৰ্মাই ৪৭টা বলত ১০০ ৰাণ কৰাৰ বিপৰীতে ঋতুৰাজ গাইকোৱাডে ৪৭টা বলত ৭৭ ৰাণ কৰে। প্ৰত্যুত্তৰত জিম্বাব'ৱেই ১৮ অভাৰ আৰু চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩৪ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতীয় দলৰ মুকেশ কুমাৰ আৰু আৱেছ খানে তিনিটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ৰবি বিষ্ণই দুটা আৰু ৱাশ্বিংটন সুন্দৰে এটা উইকেট লাভ কৰে। ইয়াৰ লগে লগে ভাৰতে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাত ১-১ৰ সমতা স্থাপন কৰে।

০০০০০০০

সমাপ্ত